# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - - -**

১।  নামৰূপ সাৰ কাৰখানাত বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিক টন উৎপাদনক্ষম এম'নিয়া ইউৰিয়া প্ৰকল্প স্থাপনৰ প্ৰস্তাৱত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদন।

২।  প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত ৩ লাখ ৮৮ হাজাৰ ৩৫৮ গৰাকী হিতাধিকাৰীক আনুষ্ঠানিকভাৱে গৃহ অনুমোদন পত্ৰ বিতৰণ।

৩।  অসমত চাৰি আৰু ছয়লেনযুক্ত পথ, ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ বাবে কেন্দ্ৰৰ ৩ লাখ কোটি টকা ব্যয়ৰ পৰিকল্পনা।

৪।  দৰং জিলাক দেশৰ ৰে'ল মানচিত্ৰত অন্তৰ্ভুক্ত কৰা উদ্দেশ্যে সাংসদ দিলীপ শইকীয়াৰ ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ।  **আৰু**

৫।  গুৱাহাটীৰ বৰ্ষাপাৰাত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেল দুখনৰ বাবে আজি দ্বিতীয় দিনাও কাউণ্টাৰত টিকট বিক্ৰী।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই নামৰূপত ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ বৰ্তমানৰ চৌহদত বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিক টন উৎপাদনক্ষম এম'নিয়া ইউৰিয়া প্ৰকল্প স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই প্ৰস্তাৱত অনুমোদন দিয়া হয়। এই প্ৰকল্পত ৰাজ্য চৰকাৰৰ ৪০ শতাংশ, ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ  ১১ শতাংশ, হিন্দুস্তান উৰ্বৰক এণ্ড ৰাসায়ন লিমিটেডৰ ১৩ শতাংশ, ৰাষ্ট্ৰীয় সাৰ লিমিটেডৰ ১৮ শতাংশ আৰু অইল ইণ্ডিয়া লিমিটেডৰ ১৮ শতাংশ অংশীদাৰিত্ব থাকিব। আনুমানিক ১০ হাজাৰ ৬০১ কোটি ৪০ লাখ টকা ব্যয়ৰে ৰূপায়ণ কৰিবলগীয়া এই প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলত ইউৰিয়াৰ ঘৰুৱা উৎপাদন ক্ষমতা বৃদ্ধি কৰিব। এই প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলৰ লগতে বিহাৰ, পশ্চিমবংগ, উত্তৰপ্ৰদেশৰ পূব অংশ আৰু ঝাৰখণ্ডৰ ইউৰিয়াৰ বৰ্ধিত চাহিদা পূৰণত সহায় কৰিব। এই প্ৰকল্প ৰূপায়ণৰ ফলত উত্তৰ-পূৰ্বাঞ্চলত কৰ্মসংস্থাপনৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সুযোগ সৃষ্টি হ'ব আৰু ইউৰিয়াৰ ক্ষেত্ৰত দেশৰ আত্মনিৰ্ভৰশীলতাৰ লক্ষ্য পূৰণত সহায় কৰিব।

০০০০০

ৰাজ্যত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত ঘৰ বিতৰণৰ ক্ষেত্ৰত পূৰ্বতে উত্থাপিত দুৰ্নীতিৰ অভিযোগ নোহোৱা কৰি বৰ্তমান চৰকাৰে নোপোৱা মানুহখিনিৰো ঘৰৰ তালিকা সুন্দৰ ব্যৱস্থাৰে প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কামৰূপ জিলাৰ পলাশবাৰীৰ ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত ৩ লাখ ৮৮ হাজাৰ ৩৫৮ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ কেন্দ্ৰীয়ভাৱে প্ৰদান কৰি

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এনে ব্যৱস্থাৰ অংশ হিচাপে ঘৰ নোপোৱা লোকৰ জৰীপ চলোৱাৰ বাবে কোনো ব্যক্তিৰ ঘৰলৈ জীৱিকা সখী নগ'লে বা প্ৰ-পত্ৰ পূৰণ নকৰিলে গাঁৱৰ সংঘৰ যিকোনো লোকে ফটো তুলি আপলোড কৰিব পাৰিব। এতিয়াৰেপৰা ঘৰ লগা ব্যক্তিসকলে নিজেই জিঅ' টেগিং কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই সম্পৰ্কে ড° শৰ্মাই এইদৰে কয় –

**(বাইট -চি এম)**

ৰাজ্য চৰকাৰে জনসাধাৰণৰ বাসগৃহৰ আৱশ্যকতা পূৰণত আৰু প্ৰধানমন্ত্ৰী আবাস যোজনাৰ জৰিয়তে সঠিক গৃহ নিৰ্মাণৰ সুবিধা সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰি আহিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে এপ্ৰিলৰ পৰা ছেপ্তেম্বৰৰ ভিতৰত আৰু ৩ লাখ হিতাধিকাৰীলৈ আবাস গৃহ প্ৰদান কৰা হ'ব। ইতিমধ্যে ২০ লাখ আবাসগৃহ নিৰ্মাণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যত মুঠ ২৬ লাখ বাসগৃহ প্ৰদান কৰা হ'ব। তেওঁ কয়, যে অক্টোবৰৰ পৰা ৰাজ্যৰ প্ৰতিখন ৰেচন কাৰ্ডত বজাৰতকৈ প্ৰতিকিলোত ২৫ টকা কম মূল্যত দাইল, আৰু চেনি আৰু ১০ টকা কম মূল্যত নিমখ দিয়া হ'ব। তেওঁ লগতে কয়, যে ৰাজ্যত বিহুৰ পাছত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ৩ৰ পৰা ৫ এপ্ৰিলৰ ভিতৰত এই নিৰ্বাচনৰ দিন-বাৰ ঘোষণা কৰা হ'ব। ড° শৰ্মাই কয়, যে মহিলা উদ্যমিতা আঁচনিৰ অধীনত পহিলা এপ্ৰিলৰ পৰা যোগ্য মহিলাসকলক ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব আৰু এই ধন সদ্ব্যৱহাৰ কৰা মহিলাসকলে ২৫ হাজাৰ টকাকৈ লাভ কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসো উপস্থিত থাকে।

বিধানসভা সমষ্টি অনুসৰি গৃহ অনুমোদন পত্ৰ প্ৰদানৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী আৰু বিধায়কসকলে বিভিন্ন স্থানত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। **ধেমাজি** জিলাৰ তিনিওটা বিধানসভা সমষ্টিতে একোখনকৈ সভাৰ জৰিয়তে জিলাখনৰ মুঠ ৪ হাজাৰ ২২৫ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। **মাজুলী** সমষ্টিৰ অন্তৰ্গত বনগাঁও ৰংগমঞ্চত জিলা আয়ুক্তৰ উপস্থিতিত সমষ্টিটোৰ ৪৬৩ গৰাকী হিতাধিকাৰীলৈ প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। **শিৱসাগৰ**ত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত ৪ হাজাৰ ৪০৫ গৰাকী হিতাধিকাৰীলৈ প্ৰথম কিস্তিৰ ধন বিতৰণ কৰা হয়। শিৱসাগৰৰ অনুষ্ঠানত শিক্ষামন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মুখ্য অতিথি হিচাপে উপস্থিত থাকি ১০ গৰাকী হিতাধিকাৰীক অনুদানৰ প্ৰথম কিস্তিৰ ধন আনুষ্ঠানিকভাৱে বিতৰণ কৰে। **চৰাইদেউ** জিলাৰ মাহমৰা সমষ্টিত ৩ হাজাৰ ১৮৭ গৰাকী আৰু সোণাৰি বিধানসভা সমষ্টিৰ এহেজাৰ ৫৯৫ গৰাকী হিতাধিকাৰীক আজি প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ অনুমোদন পত্ৰ বিতৰণ কৰা হয়। **শোণিতপুৰ** জিলাৰ ৫ টা বিধানসভা সমষ্টিৰ মুঠ ১৫ হাজাৰ ১৩৭ গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অনুমোদিত পত্ৰ বিতৰণ কৰা হয়। জিলাখনৰ পাঁচোটা সমষ্টিতে আনুষ্ঠানিকভাৱে ১০ গৰাকীকৈ হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ দিয়া হয়।

**তামুলপুৰ** জিলাৰ বৰনগৰত থকা তামুলপুৰ মহাবিদ্যালয় প্ৰেক্ষাগৃহত জিলা আয়ুক্তৰ উপস্থিতিত এহেজাৰ ১৯৬ গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। **মৰিগাঁও** জিলাত ১৩ হাজাৰ ৮০ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হৈছে। জিলাখনৰ প্ৰতিটো সমষ্টিতে আজি আনুষ্ঠানিকভাৱে ১০ গৰাকীকৈ হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। **জাগীৰোড** সম জিলাৰ জাগীভকত গাঁৱৰ বিষ্ণুৰাভা বিহুতলী মঞ্চত আয়োজিত ৰাজহুৱা সভাত মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত থাকি সমষ্টিটোৰ দুহেজাৰ ৭৫৩ গৰাকী হিতাধিকাৰীক আবণ্টন পত্ৰ আৰু মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

পত্ৰ প্ৰদান কৰে। **মঙলদৈৰ** গান্ধী ময়দানত আয়োজিত অনুষ্ঠানত বিধায়ক বসন্ত দাস আৰু জিলা আয়ুক্তৰ উপস্থিতিত দৰং জিলাৰ মঙলদৈ বিধানসভা সমষ্টিৰ ৩ হাজাৰ ১২৭ গৰাকী হিতাধিকাৰীৰ মাজত গৃহ অনুমোদন পত্ৰ বিতৰণ কৰা হয়। **কোকৰাঝাৰ** খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত বড়ো স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকি কোকৰাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত এহেজাৰ ১৪৬ গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ অনুমোদন পত্ৰ প্ৰদান কৰে। **চিৰাং** জিলাত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত ৫ হাজাৰ ৯১১ গৰাকী হিতাধিকাৰীলৈ প্ৰথম কিস্তিৰ ধন বিতৰণৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হৈছে। জিলা সদৰ কাজলগাঁৱৰ পেৰেড গ্ৰাউণ্ডত আয়োজিত অনুষ্ঠানত চিদলীৰ বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্ম আৰু বিজনী ছোৱালী হাইস্কুল খেলপথাৰত আয়োজিত অনুষ্ঠানত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায় মুখ্য অতিথি হিচাপে উপস্থিত থাকে। **বজালী** জিলা প্ৰশাসনৰ অধীনত মুঠ ৪ হাজাৰ ৮২১ গৰাকী হিতাধিকাৰীৰ মাজত আজি প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ আবণ্টন পত্ৰ বিতৰণ কৰা হয়। অৱশ্যে আদৰ্শ নিৰ্বাচনী আচৰণবিধি বলৱৎ হৈ থকাৰ বাবে **বকো-ছয়গাঁও** সমষ্টিত এই কাৰ্যসূচী অনুষ্ঠিত নহয়।

০০০০০

কেন্দ্ৰীয় চৰকাৰে চাৰিটা আৰু ছটালেনযুক্ত পথ, ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ বাবে অসমত ৩ লাখ কোটি টকা ব্যয় কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। অসমত ৰাষ্ট্ৰীয় ঘাইপথ সন্দৰ্ভত অসম গণ পৰিষদৰ সাংসদ বিৰেন্দ্ৰ প্ৰসাদ বৈশ্যই সোধা প্ৰশ্নৰ উত্তৰত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি ৰাজ্যসভাত এইকথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে এনে প্ৰকল্পৰ বাবে টোলৰ জৰিয়তে ৰাজহ আহৰণ কৰি আহিছে যদিও ৰাইজৰ সুবিধাৰ প্ৰতি বিবেচনা কৰি অকল চাৰিটালেনযুক্ত ঘাইপথৰ ক্ষেত্ৰতহে টোল ব্যৱস্থা প্ৰযোজ্য কৰা হৈছে।

০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে তেওঁলোকৰ মনোনয়ন দাখিল কৰে। পৰিষদৰ অন্তৰ্গত মুঠ ৩৬টা সমষ্টিৰ ভিতৰত গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মুঠ ৫৫ গৰাকী আৰু কামৰূপ জিলাৰ ১৬টা সমষ্টিৰ বাবে ৫২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। এই নিৰ্বাচনত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিয়ে ৩০টাত আৰু বিজেপিয়ে ৬টা সমষ্টিত প্ৰাৰ্থিত্ব দিছে। ১৭ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হয়। আজি বিয়লি ৩ বজাত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ প্ৰক্ৰিয়া সমাপ্ত হয়। আমাৰ কামৰূপৰ সংবাদদাতাই জনোৱা মতে কামৰূপ জিলাৰ অন্তৰ্গত হাঁহিম সমষ্টিত ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী সোণাৰাম ৰাভা আৰু খলিহাকোঠ পৰিষদীয় সমষ্টিত নগৰমল স্বৰ্গীয়াৰী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। জিলাখনৰ অন্তৰ্গত বাকী ১৪ টা সমষ্টিত মুঠ ৫০ গৰাকী প্ৰাৰ্থীৰ মাজত প্ৰতিদ্বন্দ্বিতা হ'ব।

অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিন- ২ এপ্ৰিলত পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহত সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান বন্ধ থাকিব। নেগ'চিয়েব'ল ইনষ্ট্ৰুমেণ্টছ আইনৰ অধীনত  জাৰি কৰা নিৰ্দেশ অনুসৰি ভোটগ্ৰহণৰ দিনাখন সংশ্লিষ্ট অঞ্চলসমূহৰ সকলো বেচৰকাৰী কাৰ্যালয়, ব্যৱসায়িক প্ৰতিষ্ঠান, বেংক, চাহ বাগিচা আদিতো দৰমহাসহ বন্ধৰ দিন ঘোষণা কৰা হৈছে।

০০০০০

মিজোৰাম চৰকাৰে ৰাজ্যখনত মিজোৰাম সাৰ্বজনীন স্বাস্থ্য সেৱা আঁচনি নামেৰে এখন বৃহৎ আঁচনি প্ৰৱৰ্তন কৰিছে। মিপুই হেল্‌থ কেয়াৰ বুলি পৰিচিত এই আঁচনিৰ অধীনত মিজোৰাম চৰকাৰৰ অধীনৰ চৰকাৰী কৰ্মচাৰীৰ পৰিয়ালকে ধৰি সকলো শ্ৰেণীৰ পৰিয়ালে বছৰি ৫ লাখ টকালৈকে নগদবিহীন চিকিৎসা সেৱা লাভ কৰিব। এই আঁচনিখন আয়ুস্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ সৈতে যুক্ত কৰা হ'ব আৰু বহিঃ আৰু অন্তৰ্বিভাগ - দুয়োধৰণৰ ৰোগীক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হ'ব। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী লালদুৰমাই আজি ৰাজ্য বিধানসভাত এই আঁচনিৰ বিষয়ে ঘোষণা কৰি কয়, যে এই বিনামূলীয়া সাৰ্বজনীন চিকিৎসা সেৱা ৰাজ্যখনৰ সকলো চৰকাৰী চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু মিজোৰাম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ৰাজ্যৰ ভিতৰৰ আৰু ৰাজ্যৰ বাহিৰৰ ব্যক্তিগত চিকিৎসালয়ৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব আৰু ১ এপ্ৰিলৰ পৰা ইয়াক কাৰ্যকৰী কৰা হ'ব।

ooooo

দৰং জিলাক দেশৰ ৰে'ল মানচিত্ৰত অন্তৰ্ভুক্ত কৰা সম্পৰ্কত দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াই কালি নতুন দিল্লীৰ ৰে'ল ভৱনত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰে আৰু দৰংবাসীৰ দীৰ্ঘদিনীয়া দাবী সন্দৰ্ভত মন্ত্ৰীগৰাকীক অৱগত কৰে। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে দৰং জিলাক সংযোগ কৰি নতুন ৰে'লপথ নিৰ্মাণৰ যাৱতীয় প্ৰস্তুতি সোনকালে আৰম্ভ কৰা হ'ব বুলি সাংসদগৰাকীক আশ্বাস দিয়ে। সাংসদ শইকীয়াই কালি নতুন দিল্লীত ৰে'ল বিভাগৰ ৰাজ্য মন্ত্ৰী ৰৱনীত সিং বিট্টুকো সাক্ষাৎ কৰে। সাক্ষাৎকালত সাংসদগৰাকীৰ সৈতে মাজবাটৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আছিল। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগক সাংসদ দিলীপ শইকীয়াই জনোৱা অনুসৰি দৰং জিলাত ৰে'ল মানচিত্ৰত অন্তৰ্ভুক্ত কৰা বিষয়ত তেওঁ ইয়াৰ আগতে ৰে'ল মন্ত্ৰীগৰাকীক কেইবাবাৰো সাক্ষাৎ কৰিছে আৰু শীঘ্ৰে দৰংবাসীৰ বহুদিনীয়া আশা ফলৱতী হ'ব বুলি তেওঁৰ প্ৰত্যয় জন্মিছে।

ooooo

তিনিচুকীয়া নগৰত কেইগৰাকীমান ৰাজনৈতিক নেতাৰ উদ্যোগত বিহাৰ দিৱস উদযাপন কৰাৰ বিষয়ে বাতৰি প্ৰকাশৰ পাছত উজনি অসমৰ কেইবাটাও দল-সংগঠনে ইয়াৰ বিৰোধিতা কৰাক লৈ নগৰখনত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আমাৰ তিনিচুকীয়াৰ সংবাদদাতাই জনোৱা মতে ঐতিহাসিক মটক ৰাজ্যৰ ৰাজধানী বেংমৰা আৰু এতিয়াৰ তিনিচুকীয়া নগৰত বিহাৰ দিৱস আয়োজন কৰাৰ যুক্তিযুক্ততা নাই বুলি সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, সদৌ মৰাণ ছাত্ৰ সন্থা, সদৌ টাই-আহোম ছাত্ৰ সন্থা সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলন আদি কেইবাটাও সংগঠনে সংবাদ মাধ্যমলৈ বিবৃতি প্ৰেৰণ কৰিছে। তিনিচুকীয়াত বিহাৰ দিৱস কাৰ্যসূচী বাতিল কৰা হৈছে বুলি বাতৰি প্ৰকাশিত হৈছে যদিও এই সন্দৰ্ভত উদ্যোক্তাসকলে এতিয়াও কোনো আনুষ্ঠানিক ঘোষণা কৰা নাই।

আনহাতে, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসমত বিহাৰ দিৱস উদযাপনৰ বিৰোধিতা কৰাৰ কোনো যুক্তিযুক্ততা নাই বুলি মন্তব্য কৰিছে। আজি পলাশবাৰীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয়, যে বিভিন্ন ৰাজ্যত যদি অসম দিৱস উদযাপন কৰাত বাধা নাই, তেন্তে অসমত আন ৰাজ্যৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰাত কোনো বাধা থাকিব নোৱাৰে।

ooooo

জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি নলবাৰীৰ গৰ্ডন চৰকাৰী হাইস্কুলৰ খেলপথাৰত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ যাতায়াতৰ বাবে বাছ সেৱা মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে

এই বাছসেৱা আৰম্ভ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ তৰফৰ পৰা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে নলবাৰী চহৰত যান-বাহন ৰখাৰ সুবিধাৰ্থে হাজো ৰোডৰ জিলিকনি চ'কত নৱনিৰ্মিত পাৰ্কিং জ'নৰো উদ্বোধন কৰে। এই ব্যৱস্থাই নলবাৰী চহৰত যান-জঁট দূৰ কৰাত সহায় কৰিব। আজিৰ অনুষ্ঠানত জিলা আয়ুক্ত বৰ্ণালী ডেকা, বিজেপিৰ জিলা সভাপতি জয়ন্ত কুমাৰ বুজৰবৰুৱা, নলবাৰী উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ বনদীপ ডেকা আৰু পৌৰপতি জয়শ্ৰী তালুকদাৰ উপস্থিত থাকে।

ooooo

বিশিষ্ট গৱেষক, ভাষাবিদ নাহেন্দ্ৰ পাদুনক আজি শিৱসাগৰ জিলাৰ বৰ্ডিং খেল পথাৰত আয়োজিত এটা অনুষ্ঠানত জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হয়। মিচিং আগম কেবাঙে শ্ৰী পাদুনৰ দীৰ্ঘকালীন সাধনা আৰু অৱদানৰ স্বীকৃতি স্বৰূপে এই বঁটা আগবঢ়ায়। শিৱসাগৰ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰা বিদ্বানগৰাকীয়ে কেৱল বিদ্যায়তনিক ক্ষেত্ৰতে নহয়, বৰং জাতীয় বৌদ্ধিক আৰু সাংস্কৃতিক জীৱনলৈ অমূল্য অৱদান আগবঢ়াই আহিছে। অনুষ্ঠানত সাহিত্যিক, শিক্ষাবিদগৰাকীৰ জীৱন আৰু কৰ্মক সামৰি এখন অভিনন্দন গ্ৰন্থ উন্মোচন কৰা হয়। বিশিষ্ট শিক্ষাবিদ জ্যোতি প্ৰসাদ শইকীয়াই এই গ্ৰন্থখন উন্মোচন কৰে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে।

ooooo

প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা শিক্ষক পদৰ বাবে কাইলৈৰ পৰা ১১ এপ্ৰিললৈ নথি পৰীক্ষাৰ দিন ঘোষণা কৰিছে। সঞ্চালকালয়ে জাৰি কৰা জাননী অনুসৰি খানাপাৰাস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় অতিথিশালাত কাইলৈৰ পৰা ২৯ মাৰ্চলৈ প্ৰথম পৰ্যায় আৰু পহিলা এপ্ৰিলৰ পৰা ১১ এপ্ৰিললৈ দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষা কৰা হ'ব। নথি পৰীক্ষাৰ বাবে যোগ্য বিবেচিত ৪ হাজাৰ ২০০ গৰাকী প্ৰাৰ্থীৰ নাম প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবছাইট www.dee.assam.gov.inত আপলোড কৰা হৈছে। নথি পৰীক্ষাৰ সময়ত প্ৰাৰ্থীসকলে স্ব-প্ৰত্যায়িত নথিৰ লগতে মূল নথি পত্ৰ আৰু আবেদনৰ কপি দেখুওৱাব লাগিব। উল্লেখযোগ্য প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে ২০২৩ বৰ্ষৰ ডিচেম্বৰত নিম্ন আৰু উচ্চ প্ৰাথমিকৰ এই ৫ হাজাৰ ৫৫০টা শিক্ষক পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল।

ooooo

২৬ আৰু ৩০ মাৰ্চত গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট এছ'চিয়েচনৰ ষ্টেডিয়ামত হ'বলগীয়া আই পি এলৰ খেল দুখনৰ বাবে ষ্টেডিয়ামৰ সমীপৰ অস্থায়ী কাউণ্টাৰত টিকট বিক্ৰী হৈ আছে। কালিৰেপৰা টিকট কাউণ্টাৰত ছাত্ৰ-ছাত্ৰীৰ বাবে ৫০০ টকাত টিকট বিক্ৰী কৰা হৈছে। আজি দ্বিতীয় দিনা কাউণ্টাৰ খোলাৰ কিছু সময়ৰ পাছতে শিক্ষাৰ্থীৰ বাবে মুকলি কৰা ৪০০ টিকটৰ বিক্ৰী সম্পূৰ্ণ হয়। কাইলৈ পুনৰ শিক্ষাৰ্থীৰ বাবে ২০০ টিকট বিক্ৰী কৰা হ'ব। টিকট ক্ৰয়ৰ বাবে শিক্ষাৰ্থীয়ে শিক্ষানুষ্ঠানৰ সঠিক প্ৰমাণপত্ৰ দেখুৱাব লাগিব। আনহাতে, ৩০ তাৰিখৰ খেলখনৰ বাবে সাধাৰণ শ্ৰেণীৰ টিকটো অস্থায়ী কাউণ্টাৰত বিক্ৰী কৰা হৈছে। খেল দুখনৰ বাবে অনলাইনযোগে টিকট বিক্ৰী প্ৰায় শেষ হৈছে।

ooooo

সমাপ্ত